Assam Tribune

09/4/2018

PWD (R&B) Circle, Kokrajhar.

IPR(BTC)-757/2018

# বিজ্ঞপ্তি

অসম পঞ্চায়ত আইন (সংশোধনী) ২০১৮ৰ জৰিয়তে নতুনকৈ অন্তৰ্ভুক্ত হোৱা ১১১(২) ধাৰা আৰু অসম পঞ্চায়ত (গঠন) (সংশোধনী) বিধিৰ (Rules) ২০১৮ৰ দ্বাৰা যোগ হোৱা বিধি নং ৬২ অনুযায়ী আগন্তুক পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হ'ব খোজা প্ৰাৰ্থীৰ সন্তানৰ সংখ্যা নিৰ্দিষ্ট কৰি দিয়া হৈছে। উপৰোক্ত আইন আৰু বিধিয়ে এনে প্ৰাৰ্থীৰ সন্তানৰ সংখ্যা তলত দিয়া ধৰণে নিৰ্দিষ্ট কৰিছেঃ

১। একোজন প্ৰাৰ্থীৰ এক বা ততোধিক সংগী বা সংগীনীৰ (Partner) যোগেদি জীৱিত সন্তানৰ সংখ্যা দুটাতকৈ বেছি হ'ব নোৱাৰিব।

২। অৱশ্যে এই আইন বলবত হোৱাৰ তাৰিখ ১৯ মাৰ্চ ২০১৮ৰ আগতে কোনো লোকৰ সন্তানৰ সংখ্যা দুটাৰ অধিক হ'লেও, তেওঁলোকৰ ক্ষেত্ৰত ওপৰৰ চৰ্ত প্ৰযোজ্য নহ'ব।

৩। যদি কোনো প্ৰাৰ্থীৰ সন্তানৰ সংখ্যা ১৯ মাৰ্চ ২০১৮ৰ আগত দুটা বা দুটাৰ অধিক থাকে আৰু সেই তাৰিখৰ পিছত এনে প্ৰাৰ্থীৰ অতিৰিক্ত এটা সন্তানো জন্ম হৈছে, তেনেক্ষেত্ৰত প্ৰাৰ্থীজন অযোগ্য বুলি বিবেচিত হ'ব।

স্বাঃ/-
সচিব,
অসম ৰাজ্যিক নিৰ্বাচন আয়োগ
দিশপুৰ, গুৱাহাটী-০৬

Janasanyog/D/6553/18